# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০২/২০২৩-২৪
Ref :

তাৰিখ : ০৯-০৪-২০২৩
Date :

## অসম জাতীয় বিদ্যালয়ত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভা

**নুনমাটি, গুৱাহাটী, ৯ এপ্ৰিল ঃ** অসম জাতীয় বিদ্যালয়ৰ ব্যতিক্ৰমী অনুষ্ঠান অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভা ৮ আৰু ৯ এপ্ৰিল তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈ যায়। উল্লেখযোগ্য যে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলে বিদ্যালয়খনত পাৰ কৰা সুদীৰ্ঘ দিনৰ স্মাৰক হিচাপে দুদিন আৰু এনিশা বিদ্যালয়ত কটোৱাৰ সুযোগ প্ৰদানেৰে অভিজ্ঞান শিবিৰ আৰু এটা দিনৰ কাৰ্য্যসূচীৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান সভাৰ আয়োজন কৰা হয়। এইবাৰৰ অভিজ্ঞান শিবিৰৰ প্ৰথম দিনাৰ কাৰ্য্যসূচীত বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ডা° জয়ন্ত দাসে কৈশোৰ কালৰ বিভিন্ন সমস্যাৰ বিষয়ে শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বহুমূলীয়া দিহা-পৰামৰ্শ আগবঢ়ায়। তদুপৰি শিক্ষাৰ্থীসকলৰ মাজত প্ৰীতি খেল-ধেমালি আৰু মনোৰঞ্জনমূলক অনুষ্ঠানো অনুষ্ঠিত কৰা হয়। ৯ এপ্ৰিল, দেওবাৰে দিনৰ ভাগত শিক্ষাৰ্থীসকলে বিশিষ্ট নাট্যকাৰ, গুৱাহাটী কলেজৰ প্ৰাক্তন অধ্যাপক ড° নৰেন পাটগিৰিৰ সৈতে অন্তৰংগ আলাপত অংশগ্ৰহণ কৰে। ড° পাটগিৰিয়ে শিক্ষাৰ্থীসকলক নিয়মানুৱৰ্তিতা আৰু সময়ৰ সদ্ব্যৱহাৰ সম্পৰ্কে কিছু কথা কোৱাৰ লগতে জীৱনৰ বাটত আগবাঢ়িবলৈ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। বিদ্যালয়ৰ সংগীত বিভাগৰ শিক্ষয়িত্ৰী বৰ্ণালী দেৱীৰ তত্বাৱধানত একাংশ নিৰ্বাচিত শিক্ষাৰ্থীয়ে পৰিবেশন কৰা বৰগীতেৰে বিয়লি ৩.৩০ বজাত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভাৰ মুকলি সভাৰ শুভাৰম্ভ ঘটে। এই সভাত আদৰণী ভাষণ দি বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে বিদ্যালয়ত নতুনকৈ আৰম্ভ হোৱা BEACON নামৰ ক'চিং আৰু কাউন্সেলিং কেন্দ্ৰৰ উদ্দেশ্য আৰু পৰিকল্পনাৰ বিষয়ে সকলোকে অৱগত কৰে। এই গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া তথা বিশিষ্ট সাহিত্যিক থানেশ্বৰ মালাকাৰ আৰু বিশিষ্ট কেৰিয়াৰ পৰামৰ্শদাতা শশাংক হাজৰিকা। অনুষ্ঠানত বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী আৰু অলকা গোস্বামীয়ে শিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়াই তেওঁলোকৰ ভৱিষ্যত জীৱনৰ প্ৰতি শুভকামনা জনায়। তদুপৰি কেইবাগৰাকী শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকেও মনৰ ভাৱ প্ৰকাশ কৰে। বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী ছুনামি নাথ আৰু বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী তৃষ্ণা গোস্বামীয়ে গীত পৰিবেশন কৰে। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক ভৱিষ্যতে এজন সৎ মানুহ হোৱাৰ বাবে শুভকামনা জনায় আৰু অভিভাৱকসকললৈ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত কেৰিয়াৰ পৰামৰ্শদাতা শশাংক হাজৰিকাই শিক্ষাৰ্থীসকলক ভৱিষ্যৎ জীৱনত সহায়ক হ'ব পৰাকৈ মূল্যবান পৰামৰ্শ আগবঢ়ায়। বিশিষ্ট সাহিত্যিক থানেশ্বৰ মালাকাৰে সৰসভাৱে নিজৰ জীৱনৰ অভিজ্ঞতাৰে শিক্ষাৰ্থীসকলক জীৱনৰ বাটত আগুৱাই যাব পৰাকৈ প্ৰেৰণাদায়ক বক্তৃতা আগবঢ়ায়। প্ৰতিগৰাকী শিক্ষাৰ্থীলৈ অভিজ্ঞান পত্ৰ আৰু সহ-পাঠ্যক্ৰমৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। এই বিশেষ সভাখনৰ কাৰ্য্যসূচীৰ আঁত ধৰে বিদ্যালয়ৰ ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী ডলী চৌধুৰীয়ে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। অভিজ্ঞান শিবিৰ তথা অভিজ্ঞান সভাৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষক সুজিৎ কুমাৰ নেওগ।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়